# শালিমাৰ পেইন্টছৰ হিৰ' প্ৰডাক্ট লাইন মুকলি

গুৱাহাটী, ৩০জুনঃ ১২০ বছৰতকৈও অধিক সময়ৰ উত্তৰাধিকাৰ থকা ভাৰতীয় ৰং উদ্যোগৰ অগ্ৰণী প্ৰতিষ্ঠান শলিমাৰ পেইণ্টছ লিমিটেডে তেওঁলোকৰ ফ্লেগশ্বিপ প্ৰডাক্ট হিৰোৰ সফলতা উদযাপন কৰে আৰু কলকাতাত অনুষ্ঠিত এক গতিশীল অনুষ্ঠানত তেওঁলোকৰ বিস্তৃত পৰ্টফলিঅ' সম্প্ৰসাৰণ কৰা উদ্ভাৱনীমূলক সামগ্ৰীৰ পৰিচয় দিয়ে। এই অনুষ্ঠানৰ মূলতে আছিল হিৰো ৫-ইন-১ ছুপাৰ প্ৰিমিয়াম ইণ্টেৰিয়ৰ ইমালচনৰ সফলতা, তাৰ লগে লগে হিৰো ছুপাৰ প্ৰিমিয়াম এক্সটেৰিয়ৰ ইমালচন আৰু এইচ হিৰো ইণ্টেৰিয়ৰ এক্সটেৰিয়াৰ মুকলি কৰা হয়। পৰিৱৰ্তন আৰু উন্নতিৰ দৃষ্টিভংগীক সামৰি লোৱা এই পৰিচয়সমূহ আছিল 'আপগ্ৰেড কিয়া কীয়া' অভিযানৰ অংশ। শ্বালিমাৰ পেইণ্টছৰ সঞ্চালক-বিক্ৰী আৰু বিপণন মিষ্টাৰ কুলদীপ ৰাইনাই কয় যে, 'এই অনুষ্ঠানে শালিমাৰ পেইণ্টছৰ উদ্ভাৱন আৰু উৎকৃষ্টতাৰ অদম্য সাধনাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।' শালিমাৰ পেইণ্টছে ইলাষ্টোমেৰিক গুণ আৰু ফাইবাৰ ৰিইনফৰ্চমেণ্টৰ সৈতে অত্যাধুনিক প্ৰযুক্তিৰ ৱাটাৰপ্ৰুফিং সমাধানৰ এক উন্নত সংকলন মুকলি কৰিছে। এইবোৰে উচ্চমানৰ ফাট আদি বন্ধ কৰাৰ ক্ষমতা সুনিশ্চিত কৰে, ফলপ্ৰসূভাৱে সৰু ফাটবোৰকো বন্ধ কৰি দিয়ে যাতে পানী নিগৰা আৰু গাঁথনিগত ক্ষতি ৰোধ কৰিব পৰা যায়। ইয়াৰ উপৰিও, মেলামাইন, এন চি লিকাৰ, ছিলাৰ আৰু ১০০০পি ইউ ফিনিচিংকে ধৰি তেওঁলোকৰ কাঠৰ আৱৰণৰ বিস্তৃত পৰিসৰ, কাঠৰ বস্তু সংৰক্ষণ আৰু বৃদ্ধিৰ বাবে গ্ৰাহকৰ সকলো প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ সাৱধানতাৰে প্ৰস্তুত কৰা হৈছে। এই সমাধানসমূহে একেলগে দীৰ্ঘস্থায়ী সৌন্দৰ্যৰ বাবে সুৰক্ষা নিশ্চিত কৰে। তেওঁ লগতে কয়, 'আমি নতুন সংযোজন প্ৰৱৰ্তন কৰি আনন্দিত। গ্ৰাহকৰ আশাক অতিক্ৰম কৰি উচ্চমানৰ সামগ্ৰী প্ৰদানৰ আমাৰ প্ৰতিশ্ৰুতিক আলোকপাত কৰা হৈছে। কোম্পানীটোৱে অত্যাধুনিক অনুসন্ধান আৰু বিকাশ কেন্দ্ৰত যথেষ্ট বিনিয়োগ কৰিছে, যাৰ ফলত গুণগত মানৰ সামগ্ৰী উদ্ভাৱনৰ প্ৰতি নিজৰ সমৰ্পণ শক্তিশালী হৈছে। আমাৰ কাৰখানাৰ প্ৰতিটো ৰঙৰ কেনত স্থায়িত্ব, উৎকৃষ্টতা আৰু গুণগত মানৰ প্ৰতিশ্ৰুতি আছে।